RNI RE
Portal
e-mail

**দিনটোৰ বাণী**

ৰ জীৱনৰ আটাইতকৈ
ত্বপূৰ্ণ দিন দুটা হ'ল জন্ম
দিনটো আৰু সেই দিনটো
া তেওঁ বিচাৰি উলিয়াব
যে তেওঁ কিহৰ কাৰণে
জন্ম হৈছে।
— মাৰ্ক টোৱেইন

# অসম আদিত্য

ম বছৰ ■ সংখ্যা ২৩০ ■ ৭ ভাদ, ১৯৪৫ শক ■ শুকুৰবাৰ, ২৫ আগষ্ট, ২০২৩ ■ Asom Aditya, Dibrugarh, Friday, August 25, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা

## কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ সৈতে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষসহ শিক্ষাৰ্থী, অধ্যাপকৰ চন্দ্ৰযান-৩ অৱতৰণৰ দৃশ্য উপভোগ



**ডিব্ৰুগড়, ২৪ আগষ্ট ঃ** কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় পৌৰ সভাৰ পৌৰপতি ডাঃ চৈকত পাত্ৰ, উপ-পৌৰপতি উজ্জ্বল ফুকন, উন্নয়ন প্ৰাধীকৰণৰ সভাপতি অসীম হাজৰিকা সমন্বিতে ডিব্ৰুগড় প্ৰশাসনৰ উচ্চ পদস্থ বিষয়া, কৰ্মচাৰীৰ সহিতে ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, অধ্যাপক ড০ জ্যোতিপ্ৰসাদ ফুকনৰ লগতে কানৈ মহাবিদ্যালয়ৰ প্ৰায় ১৫ জনীয়া এটা ছাত্ৰ-ছাত্ৰীৰ দলে ২৩ আগষ্টত ডিব্ৰুগড় জিলা প্ৰশাসনৰ দ্বাৰা লেণ্ডাৰ বিক্ৰমৰ পোনপটীয়া সম্প্ৰচাৰৰ অনুপম দৃশ্য উপভোগ কৰে। লেণ্ডাৰ বিক্ৰমৰ অনুপম দৃশ্য উপভোগ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সকলোৱে আনন্দত অভিভূত হৈ পৰে। উল্লেখ্য যে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ড০ বিদ্যুৎ বিকাশ গগৈয়ে লেণ্ডাৰ বিক্ৰমৰ সফল অৱতৰণত ইছৰ'ৰ বিজ্ঞানীৰ দলটোৰ লগত অংশগ্ৰহণ কৰাৰ বাবে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া সমন্বিতে মহাবিদ্যালয়খনৰ পৰিয়াল আনন্দত আত্মহাৰা হৈ পৰে। উল্লেখ্য যে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত ২৩ আগষ্টৰ দিনা লেণ্ডাৰ বিক্ৰমৰ পোনপটীয়া সম্প্ৰচাৰ অনুষ্ঠান উপভোগ কৰি মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু প্ৰায় দুইশতাধিক ছাত্ৰ-ছাত্ৰী আনন্দত উৎফুল্লিত হৈ পৰে।